# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
0000000000

**Date :** 06-03-2025
**Time :** 1800 HRS

# ***Assamese Evening Bulletin***

**- - - - - - - - - - - - - - -**

অসমৰ ছটা জনগোষ্ঠীক জনজাতিকৰণ প্ৰক্ৰিয়া বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। বিধানসভাত বিধায়ক ৰেকিবুদ্দিন আহমেদৰ এটা প্ৰশ্নৰ উত্তৰত ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি এইদৰে কয়। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যত বৰ্তমানে থকা জনজাতিসমূহে লাভ কৰা সা-সুবিধাসমূহ কৰ্তন নোহোৱাকৈ জনজাতিকৰণ কেনেকৈ কৰা হ'ব সেই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ দ্বাৰা গঠিত মন্ত্ৰী গোটৰ সমিতিৰ প্ৰতিবেদন বিচাৰিছে। এই সমিতিখনে এতিয়ালৈ প্ৰতিবেদন দাখিল কৰা নাই বুলি মন্ত্ৰীগৰাকীয়ে বিধানসভাত জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত গঠিত এই সমিতিখনে ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীৰ সৈতে আলোচনাত মিলিত হৈছে। বিভিন্ন জনগোষ্ঠীৰ সৈতে হোৱা আলোচনাৰ অন্তত সন্মুখীন হোৱা অসুবিধাৰ বাবে সমিতিখনে এতিয়ালৈকে চূড়ান্ত প্ৰতিবেদন দাখিল কৰিব পৰা নাই বুলি তেওঁ কয়। বৰ্তমান চৰকাৰে মন্ত্ৰী ডাঃ ৰণোজ পেগুক আহ্বায়ক হিচাপে লৈ ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো চোৱাচিতা কৰিবলৈ এই সমিতিখনকে পুনৰ গঠন কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০

ৰাজ্যত কোনো চৰকাৰী বিদ্যালয় বন্ধ কৰা হোৱা নাই বুলি আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিধানসভাত প্ৰকাশ কৰে। বিধায়ক আব্দুল কালাম ৰছিদ আলমৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, যে অসমত ২০২১-২২ বৰ্ষত ৪৪ হাজাৰ ৮২৬ খন বিদ্যালয় আৰু ২০২৩-২৪ বৰ্ষত ৪৪ হাজাৰ ৭৪৩ খন বিদ্যালয় আছে। শিক্ষা ক্ষেত্ৰৰ আধাৰত সংলগ্নকৰণ, একত্ৰিকৰণ ইত্যাদি কাৰণত বিদ্যালয়সমূহ স্থানান্তৰ কৰি সমীপৱৰ্তী বিদ্যালয়সমূহত পাঠদান প্ৰক্ৰিয়া চলি আছে বুলি তেওঁ কয়। চৰকাৰী তথ্য অনুসৰি ৰাজ্যত ৫ হাজাৰ ৮৮৩ খন অপ্ৰাদেশিকীকৃত বিদ্যালয় তেছ। ইয়াৰে ২ হাজাৰ ৩৪০ খন বিদ্যালয়ত ৩০ জনতকৈ কম শিক্ষাৰ্থী আছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। যোগ্যতাৰ ভিত্তিত এনে বিদ্যালয়ৰ শিক্ষকসকলক ২০১৭ চনৰ বিজ্ঞাপনৰ আধাৰত ২০২১ চনত প্ৰাদেশিকীকৰণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০

৮ মাৰ্চৰ আন্তৰ্জাতিক নাৰী দিৱসৰ লগত সংগতি ৰাখি হোজাই জিলাত জিলা প্ৰশাসন আৰু নাবাৰ্ডৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ২ নম্বৰ কাকী অঞ্চলৰ নৱনিৰ্মিত জিলা পৰিষদৰ কাৰ্যালয়ত আজি বিভিন্ন ব্যৱসায়ৰ সৈতে জড়িত ১০গৰাকী মহিলাক সম্বৰ্দ্ধনা জনোৱা হয়। সেই স্থানতে কেইবাটাও মহিলা গোটে নিজে প্ৰস্তুত কৰা সামগ্ৰীৰে এখন প্ৰদৰ্শনীও মুকলি কৰে।

আন্তৰ্জাতিক নাৰী দিৱসৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰশিক্ষণ কেন্দ্ৰত কাইলৈ এটা বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰা হৈছে। এই চিকিৎসা শিবিৰত মহিলাৰ স্বাস্থ্য সচেতনতা সন্দৰ্ভত এখন সজাগতামূলক আলোচনাচক্ৰও অনুষ্ঠিত হ'ব। শিবিৰত মহিলাসকলৰ মুখ গহ্বৰ, স্তন আৰু জৰায়ুৰ কৰ্কট ৰোগৰ বিনামূলীয়া পৰীক্ষণ কৰা হ'ব। জিলা প্ৰশাসনে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ মহিলা আৰু কিশোৰীসকলক আহ্বান জনাইছে। উল্লেখযোগ্য যে সমগ্ৰ বিশ্বতে ৮ মাৰ্চত আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হ'ব। এই দিনটোতেই ৰাষ্ট্ৰীয়, জাতিগত, ভাষিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সীমা নেওচি মহিলাসকলক তেওঁলোকৰ সাফল্যৰ জৰিয়তে চিনাক্ত কৰা হয়। এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ বিষয়বস্তু হৈছে - **সকলো নাৰী আৰু কিশোৰীৰ বাবে ঃ অধিকাৰ, সমতা, সবলীকৰণ**।

ooooo

বিশ্বনাথ জিলা কৃষি বিভাগ তথা কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থাৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত কৃষি বিষয়াৰ কাৰ্যালয়ৰ চৌহদত আজিৰে পৰা দুদিনীয়াকৈ কৃষক মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত কৃষকসকলে নিজৰ পথাৰত উৎপাদিত সামগ্ৰী বিক্ৰীৰ লগতে প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। আজি জিলা আয়ুক্ত মুনিন্দ্ৰ নাথ ঙাটে মেলাৰ লগত সংগতি ৰাখি আয়োজন কৰা বিপণী উদ্বোধন কৰে। এই মেলাতে কৃষি বিষয়ক প্ৰশিক্ষণৰ আয়োজন কৰাৰ উপৰি বিভাগীয় বিষয়া আৰু কৃষি বিজ্ঞানীসকলৰ এটি অন্তৰংগ মত-বিনিময় অনুষ্ঠানৰো আয়োজন কৰা হয়। মেলাত সাতটাকৈ মহিলা গোটক ১০ হাজাৰ টকাৰ এককালীন চেক প্ৰদান কৰা হয়। অনুষ্ঠানত জিলা কৃষি বিষয়া, জিলা গাণনিক বিষয়াৰ উপৰি কেইবাগৰাকী জ্যেষ্ঠ বিষয়ববীয়া উপস্থিত থাকে।

ooooo

যোৰহাটত কাইলৈৰ পৰা ঐতিহ্যমণ্ডিত ঘোঁৰা দৌৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ১৮৭৭ চনত ইংৰাজৰ আমোলত আৰম্ভ হোৱা এই আকৰ্ষণীয় প্ৰতিযোগিতাখনৰ ১৪২ সংখ্যক সংস্কৰণৰ লগত সংগতি ৰাখি টেনিছ, গল্ফ আদি খেলো অনুষ্ঠিত কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। যোৰহাট জিমখানা ক্লাবৰ উদ্যোগত তিনিদিনীয়াকৈ আয়োজিত এই প্ৰতিযোগিতাত এইবাৰ ডিব্ৰুগড়ৰ এটা অশ্বাৰোহী দলে ঘোঁৰা দৌৰৰ বিভিন্ন পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব। উল্লেখযোগ্য যে এই ঘোঁৰা দৌৰৰ লগত সংলগ্ন গভনৰ্ছ কাপ হৈছে অসমৰ ৰাজ্যপালে প্ৰতিবছৰে প্ৰদান কৰা প্ৰধান বঁটা। যোৰহাটৰ ঘোঁৰা দৌৰক সম্প্ৰতি ৰাজ্যৰ অন্যতম পুৰণি ক্ৰীড়া প্ৰতিযোগিতা বুলিও গণ্য কৰা হয়। এই প্ৰতিযোগিতাৰ লগতে কাৰ ৰেলী, কুকুৰৰ প্ৰদৰ্শনী, সংগীতানুষ্ঠান আদিৰো আয়োজন কৰা হয়।

ooooo

চৰাইদেউ জিলাৰ সোণাৰি পৌৰ সভাৰ অন্তৰ্গত এলেকাসমূহত অনাদায় হৈ থকা কৰ সংগ্ৰহৰ বাবে জিলা আয়ুক্তই এখন বিশেষ সমিতি গঠন কৰিছে। আয়ুক্ত ডাঃ নেহা যাদৱে জাৰি কৰা নিৰ্দেশ মৰ্মে সহকাৰী আয়ুক্ত, সোণাৰি পৌৰসভাৰ কাৰ্যবাহী বিষয়াৰ লগতে সংশ্লিষ্ট বিষয়াসকলক লৈ এই সমিতিখন গঠন কৰা হৈছে। আয়ুক্তগৰাকীয়ে সমিতিখনক শীঘ্ৰেই কাম-কাজ আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছে।

ooooo

ধেমাজি জিলাৰ ১৫৮খন প্ৰাথমিক পৰ্যায়ৰ বিদ্যালয়ক আজি সমগ্ৰ শিক্ষা ধেমাজিয়ে সৰ্বাঙ্গীন বিকাশত দেখুওৱা পাৰদৰ্শিতাৰ বাবে বঁটা প্ৰদান কৰে। ধেমাজিৰ ৰাজহুৱা প্ৰেক্ষাগৃহত আজি এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত জিলাখনৰ একোখনকৈ প্ৰাথমিক বিদ্যালয়ক শ্ৰেষ্ঠ বিদ্যালয় পৰিচালনা সমিতি আৰু শ্ৰেষ্ঠ মাতৃ গোটৰ বঁটা প্ৰদান কৰা

হয়। অনুষ্ঠানত জিলা অতিৰিক্ত আয়ুক্ত ড০ সঞ্জীৱ কুমাৰ ফুকন, মৰিচল মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দ্বীপেন শইকীয়াকে ধৰি কেইবাগৰাকী শিক্ষা বিষয়া উপস্থিত থাকে।

০০০০০

চৰাইদেউ জিলা পথ সুৰক্ষা সমিতিৰ চলিত বছৰৰ দ্বিতীয়খন বৈঠক আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। এই বৈঠকত জিলাখনত পথ দুৰ্ঘটনা ৰোধৰ বাবে গ্ৰহণ কৰিবলগীয়া আগতীয়া ব্যৱস্থা সন্দৰ্ভত আলোচনা কৰা হয়। এই বৈঠকত পথ সুৰক্ষা সমিতিৰ অংশীদাৰ হিচাপে থকা প্ৰতিটো চৰকাৰী বিভাগকে নিজৰ দায়িত্বসমূহ নিয়াৰিকৈ পালন কৰিবলৈ সতৰ্ক কৰি দিয়া হয়। তদুপৰি চলিত মাহত সংঘটিত পথ দুৰ্ঘটনাৰ তথ্য প্ৰদান কৰি যোৱা মাহত হোৱা এনে দুৰ্ঘটনাৰ সংখ্যাৰ সৈতে তুলনামূলক বিশ্লেষণ কৰা হয়।

০০০০০

সমাপ্ত